**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-11-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
**-------------------**
**:::::::::::::::::::**

১। ৰাজ্যৰ বিভিন্ন জিলাত আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত।
২। অসম আৰক্ষীত শীঘ্ৰেই ৪ হাজাৰ নতুন পদ মুকলিৰ সম্ভাৱনা।
৩। বড়ো সাহিত্য সভাৰ আজি ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে বিটিআৰৰ জিলাকেইখনত বিভিন্ন কাৰ্যসূচী।
৪। গুৱাহাটী মহানগৰীৰ ভৰলুমুখত সংঘটিত অগ্নিকাণ্ডত দম্পতিৰ মৃত্যু। *আৰু*
৫। ইডেন গাৰ্ডেনছৰ বিধবস্ত পিটছত ধৰাশায়ী ভাৰতীয় বেটিং। কলকাতাৰ প্ৰথম টেষ্টত দক্ষিণ আফ্ৰিকাৰ হাতত ভাৰত ৩০ ৰানত পৰাস্ত।

০০০০০০

সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয়। ভাৰতীয় প্ৰেছ কাউন্সিলৰ প্ৰতিষ্ঠাৰ উদযাপনৰ লগতে সংবাদ মাধ্যমৰ স্বাধীনতা আৰু বিশ্বজুৰি সাংবাদিকসকলৰ ভূমিকা সম্পৰ্কে সজাগ, সচেতন কৰাৰ বাবে এই দিৱস উদযাপন কৰা হয়। এইবাৰৰ প্ৰেছ দিৱসৰ মূল বিষয় হৈছে **নতুন সাহসি বিশ্বত সাংবাদিকতা-সংবাদ মাধ্যমৰ স্বাধীনতা আৰু গণ মাধ্যমৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাব**।

অসমতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ লোক নিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত ৰাজ্যিক ভিত্তিত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ধ্ৰুৱজ্যোতি বৰা নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে। উপাচাৰ্যগৰাকীয়ে **বিভ্ৰান্তিমূলক তথ্যৰ মাজত সংবাদসেৱাৰ বিশ্বাসযোগ্যতাক সুৰক্ষা প্ৰদান** বিষয়ত বক্তব্য আগবঢ়ায়।

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয়। এই উপলক্ষে কুইজ মাষ্টাৰ দিপাংকৰ কৌশিকৰ পৰিচালনাত অনুষ্ঠিত আন্তঃসংবাদ প্ৰতিষ্ঠান প্ৰাইজমানি কুইজ প্ৰতিযোগিতাত অসমীয়া প্ৰতিদিন কাকতৰ দিলীপ কুমাৰ শৰ্মা, উৎপল কুমাৰ দাস আৰু বিদুৎ কুমাৰ শৰ্মাৰ দলে প্ৰথম স্থান লাভ কৰে। দৈনিক জনমভূমি কাকতৰ অংকুৰ জ্যোতি শৰ্মা, দীপক চক্ৰৱৰ্তী আৰু জয়ন্ত ফুকনৰ দলে দ্বিতীয় স্থান লাভ কৰে। আকাশবাণী গুৱাহাটীৰ ইন্দ্ৰজিৎ দাস, নিভাৰাণী ৰায় আৰু দেৱাশিষ ৰাজকুমাৰৰ দলে তৃতীয় স্থান লাভ কৰে। উল্লেখযোগ্য যে আটাইকেইটা বিজয়ী দলতে আকাশবাণী গুৱাহাটীৰ সদস্য আছে।

প্ৰেছ দিৱসৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটী প্ৰেছ ক্লাবে চাৰিগৰাকী প্ৰবীন সাংবাদিক প্ৰেমধৰ শৰ্মা, হায়দৰ হুছেইন, ধীৰেন্দ্ৰ নাথ বেজবৰুৱা আৰু কনক সেন ডেকাক নিজ বাসগৃহত সম্বৰ্ধনা জ্ঞাপন কৰে।

**গোৱালপাৰা** জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানতে জিলাখনৰ পাঁচগৰাকী জ্যেষ্ঠ সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়। **বৰপেটা** জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত বৰপেটা মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত জিলাখনৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক কমলেশ বৈশ্যই নিৰ্দিষ্ট বিষয়ত বক্তব্য আগবঢ়ায়। **শিৱসাগৰ** প্ৰেছ ক্লাবৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত

সংগতি ৰাখি প্ৰয়াত সাংবাদিকলৈ শ্ৰদ্ধাৰ্ঘ্য শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা সাংবাদিক সন্থাই লগতে চিত্ৰাংকণ প্ৰতিযোগিতাৰো আয়োজন কৰে। অনুষ্ঠানত শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি ড০ সব্যসাচী মহন্তকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ড০ মহন্তই বৰ্তমান সময়ত সাংবাদিকৰ দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভত আলোকপাত কৰে। ***(বাইট ঃ মহন্ত)***

**চৰাইদেউ** জিলা আয়ুক্ত কাৰ্যালয়ত আয়োজিত কাৰ্যসূচীত জিলাখনৰ প্ৰায়ভাগ সংবাদকৰ্মীয়ে অংশগ্ৰহণ কৰে।

**নগাঁও** ইলেকট্ৰনিক মিডিয়া এছ'চিয়েছনৰ উদ্যোগত কমলাদেৱী তোদী স্মৃতি ভৱনৰ সভাগৃহত দিনজোৰা কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানত জিলাখনৰ জ্যেষ্ঠ সাংবাদিক খৰ্গেশ্বৰ বৰুৱা, মানৱজ্যোতি বৰা আৰু বিভূতি বৰাক সম্বৰ্ধনা জনোৱা হয়।

**দৰং** জিলাতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ অনুষ্ঠানত ১১ গৰাকী সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়। ধুবুৰী, লখিমপুৰ, কোকৰাঝাৰ, গোলাঘাট, কামৰূপ, হোজাই, শ্ৰীভূমি, বঙাইগাঁও, তিনিচুকীয়া, হাইলাকান্দি আৰু নলবাৰী জিলাতো আজি বিভিন্ন কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয়।

০০০০০

ৰাজ্যৰ আৰক্ষী বিভাগত শীঘ্ৰেই ৪ হাজাৰ নতুন পদ মুকলি হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমৰ জৰিয়তে এইকথা সদৰি কৰিছে। ৰাজ্যখনৰ ২ লাখ নিবনুৱাক চৰকাৰী চাকৰি প্ৰদান কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা লক্ষ্য এই পদক্ষেপে ত্বৰান্বিত কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ কয় যে বিজেপি চৰকাৰৰ নেতৃত্বত সম্প্ৰতি স্বচ্ছ আৰু নিকা পদ্ধতিৰে মেধাৰ ভিত্তিত যুৱক যুৱতীসকলে নিয়োগৰ সুবিধা লাভ কৰিছে। চৰকাৰে কোনো উপঢৌকন অবিহনে চাকৰি লাভ কৰিব পৰা এটা পৰিবেশ গঢ়ি তোলা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। ৫ বছৰ সম্পূৰ্ণ হোৱাৰ পূৰ্বেই এক লাখ ৩৫ হাজাৰ চৰকাৰী চাকৰিৰ সুবিধা প্ৰদান কৰিবলৈ চৰকাৰ সফল হোৱা বুলি তেওঁ মন্তব্য কৰে।

০০০০০

ৰাজ্যিক কৰ্মচাৰীসকলৰ সুৰক্ষাৰ বাবে চৰকাৰে গ্ৰহণ কৰা শূন্য  ব্যয় বীমা আঁচনিৰ অধীনত ধনৰাশিৰ বিতৰণ ইতিমধ্যে আৰম্ভ হৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় .যে কৰ্মচাৰীসকলৰ মৰ্যাদা, নিৰাপত্তা তথা কল্যানৰ হকে চৰকাৰে সময়ে সময়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। কৰ্মচাৰী তথা তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে চৰকাৰৰ দায়বদ্ধতা সদায় অটুত থাকিব বুলিও তেওঁ প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰতিগৰাকী কৰ্মচাৰীয়ে ৰাজ্যৰ প্ৰগতিত অৰিহণা যোগাইছে।

০০০০০

গোলাঘাট জিলা পুথিভড়াল প্ৰেক্ষাগৃহত আজি গোলাঘাট জিলা মহিলা সমিতিৰ শতবৰ্ষ উদযাপনৰ কাৰ্যসূচী মুকলি কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী অতুল বৰাই সমাজ জীৱনত নাৰীৰ অৱদান অপৰিসীম বুলি মন্তব্য কৰে। তেওঁ নাৰী শক্তিৰ সক্ৰিয় ভূমিকাই আমাৰ সমাজখনক প্ৰাচীন কালৰে পৰাই বৰ্তমান সময়লৈকে   গতিশীল, সমৃদ্ধিশালী আৰু সৃজনশীল কৰি আহিছে বুলি উল্লেখ কৰে। গোলাঘাট জিলা মহিলা সমিতিয়ে সামাজিক মূল্যবোধ অটুত ৰাখি সমন্বয়, বিকাশ আৰু নেতৃত্বৰ যোগেদি সামাজিক কল্যান আৰু উত্তৰণৰ দিশত আগুৱাই যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত বিত্ত মন্ত্ৰী অজন্তা নেওগে অংশগ্ৰহণ কৰি কয় যে ১৯২৬ চনত চন্দ্ৰপ্ৰভা শইকীয়ানিৰ উদ্যোগত গঠিত এই শতবৰ্ষ গৰকা  অনুষ্ঠানটোৱে মহিলাৰ উত্তৰণৰ কাৰণে কাম কৰি আহিছে। গোলাঘাট জিলা মহিলা সমিতিৰ উদ্যোগত আৰু সদৌ অসম প্ৰদেশ শাখা মহিলা সমিতিৰ সহযোগত আয়োজিত এই কাৰ্যসূচীত অসম প্ৰাদেশিক মহিলা সমিতিৰ সভানেত্ৰী গীতা শৰ্মা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ডাঃ কৰবি ডেকা হাজৰিকা, বিভিন্ন জিলা সমিতিৰ প্ৰতিনিধি তথা ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বড়ো সাহিত্য সভাৰ আজি ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস। এই উপলক্ষে বিটিআৰৰ জিলাকেইখনত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠাৰ দিনটোত সভাৰ পূৰ্বৰ কাণ্ডাৰীসকলক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে সকলোকে অভিনন্দন জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমযোগে কয়, যে ৰাজ্যৰ সাহিত্য-সংস্কৃতিৰ বৰ্ণিল জগতখনত বড়ো সাহিত্য সভাৰ বিশেষ অৱদান আছে। তেওঁ কয়, যে জন্মলগ্নৰে পৰা বড়ো সাহিত্য সভাই চহকী বড়ো ভাষাৰ উত্তৰণ আৰু প্ৰসাৰৰ বাবে ভালেমান পদক্ষেপ লৈছে। বড়ো সাহিত্য সভাই সাংস্কৃতিক দিশতো উল্লেখনীয় কাম কৰিছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বড়ো সাহিত্য সভাই ভিন ভিন ভাষাৰ সৈতে বড়ো ভাষাক সাঁকোৰ দৰে গাঁঠি লোৱাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে।

০০০০০

গুৱাহাটী মহানগৰীৰ ভৰলুমুখত আজি দুপৰীয়া সংঘটিত এটা অগ্নিকাণ্ডত দম্পত্তিৰ মৃত্যু হয়। কন্যাৰ জন্মদিন উদযাপনৰ বাবে প্ৰস্তুতি চলাই থকাৰ সময়তে চিলিণ্ডাৰ বিস্ফোৰণ হৈ দেৱ চৌধুৰী আৰু পম্পী কলিতাৰ মৃত্যু হয় বুলি আমাৰ সংবাদদাতাই  জনাইছে। ভৰলুমুখৰ আঠ নম্বৰ গেটত থকা পোষ্ট অফিচ ভৱনৰ তৃতীয় মহলাত এই অগ্নিকাণ্ডৰ খবৰ পোৱাৰ পাছতে অগ্নি আৰু জৰুৰীকালীন সেৱাৰ আঠখনকৈ বাহন ঘটনাস্থলীত উপস্থিত হৈ  জুই নিৰ্বাপন কৰে। পৰিয়ালটো সেই ঠাইত দীৰ্ঘদিন ধৰি ভাৰাতীয়া হিচাপে বাস কৰিছিল বুলি আৰক্ষীয়ে জনাইছে।

*(বাইট)*

০০০

স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা বীৰছা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী পযেকৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ ভিন ভিন  ঠাইত কাৰ্যসূচী অব্যাহত আছে। ধেমাজি জিলাৰ জোনাইত জনজাতীয় গৌৰৱ দিৱস উপলক্ষে আজি একলব্য আদৰ্শ আবাসীক বিদ্যালয় উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানত স্থানীয় বিধায়ক ভুবন পেগু আৰু ধেমাজিৰ অভিভাৱক মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকে। মন্ত্ৰী শ্ৰী ফুকনে এই বিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক উৎকৰ্ষ সাধনত সহায় কৰাৰ উপৰি বিদ্যালয়খনৰ আবাসীক ভৱনত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সকলো সুবিধা থাকিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

*(বাইট ঃ প্ৰশান্ত ফুকন)*

০০০০

০০০০

জুবিন গাৰ্গৰ ওপজা দিন উপলক্ষে পৰহিলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীৰ সৰুসজাই আৰু সোণাপুৰৰ জুবিন ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী আয়োজিত হ'ব। এই উপলক্ষে ৰাজ্যৰ  ৫৩ টা স্থানত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কালি ফে'চবুক লাইভযোগে প্ৰকাশ কৰে। তেঁও কয় যে প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা আৰু মৰমৰ চিনস্বৰূপে এই পদক্ষেপ গ্ৰহণ কৰা হ'ব। বিটিআৰ প্ৰশাসনে প্ৰিয় শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰিছে। এই উপলক্ষে কোকৰাঝাৰ জিলাৰ গৌৰাং নৈৰ পাৰৰ চান্দামাৰীত ৩০ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া জুবিন গাৰ্গ উদ্যানৰ আধাৰশিলা কাইলৈ বিটিআৰৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে স্থাপন কৰিব। ইয়াৰ লগতে গৌৰাং নৈৰ পাৰত বিটিআৰৰ পাঁচখন জিলাৰ প্ৰায় ২৫ হাজাৰ শিল্পী আৰু অনুৰাগীয়ে অসমীয়া আৰু বড়ো ভাষাত মায়াবিনী গীতটি পৰিৱেশন কৰিব।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ওপজা দিনটো পালনৰ বাবে অনুৰাগীসকল সাজু হৈছে। কায়িক বিচ্ছেদৰ যন্ত্ৰনা নেওচি তেওঁলোকে শিল্পীগৰাকীৰ গীতেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি দিব। শিৱসাগৰত মিউজিকেল

ছোচাইটি অৱ শিৱসাগৰ আৰু শিৱসাগৰবাসী ৰাইজৰ উদ্যোগত শিল্পী সমাজে প্ৰাণৰ শিল্পীলৈ শ্ৰদ্ধা নিবেদন কৰিব। এই উপলক্ষে শিৱসাগৰ বোৰ্ডিং খেলপথাৰত বিয়লি ৪ বজাত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ী গীতেৰে তেওঁক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে ৰাজ্যখনৰ প্ৰায় ৩০০ শিল্পী অহা ১৯ নৱেম্বৰৰ সন্ধিয়া গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত সমবেত হ'ব। বিয়লি ৫ বজাৰ পৰা হ'বলগীয়া এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ২০০ তকৈ অধিক কণ্ঠশিল্পী আৰু ৭০ গৰাকীৰো অধিক বাদ্যযন্ত্ৰীয়ে ৮গৰাকী সংগীত পৰিচালকৰ তত্বাৱধানত জুবিন গাৰ্গৰ দুকুৰি গীত পৰিবেশন কৰিব। দৰ্শকসকলে এই অনুষ্ঠান বিনামূলীয়াকৈ উপভোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০

বৰপেটা জিলাৰ হাউলীৰ সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ সমীপৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। মৃত লোকজন কলগাছিয়াৰ নজৰুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। হাউলী আৰক্ষীয়ে জনোৱা মতে  মটৰ চাইকেলেৰ গৈ থকা অৱস্থাত হাউলী অভিমুখী এখন ট্ৰেক্টৰে মহতিয়াইনিয়াৰ ফলত লোকজনৰ থিতাতে মৃত্যু হয়। আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে লগতে ঘটনা সংঘটিত কৰা ট্ৰেক্টৰখন জব্দ কৰে। অৱশ্যে দুৰ্ঘটনা সংঘটিত কৰাৰ পাছতে ট্ৰেক্টৰ চালকজন পলায়ন কৰে।

০০০০০

বিত্তমন্ত্ৰী অজন্তা নেওগে আজি গোলাঘাট জিলাৰ দ-চমুৱা সমবায় সমিতিৰ সংহত পামখন উদ্বোধন কৰে। প্ৰায় ৫০০ বিঘা মাটি আগুৰি থকা এই পামখন স্থানীয় বিধায়কগৰাকীৰ নেতৃত্বত গঢ় লৈ উঠিছে। এই পামখনত হাহ-কুকুৰা আৰু গাহৰী পালন তথা দুগ্ধ উৎপাদনৰ দৰে পদক্ষেপে প্ৰায় এশ লোকৰ বাবে জীৱিকাৰ পথ মুকলি কৰিছে।

০০০০০

জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধীকৰণ আৰু গুৱাহাটী পৌৰ নিগমৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে পৌৰ নিগমৰ অধীনস্থ পাৰ্কিং স্থান তথা জি এম ডিৰ ব্যৱস্থাপনাৰ অধীনৰ উদ্যানসমূহৰ পৰিচালনাৰ সবিশেষ বুজ লয়।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিধানসভা সমষ্টি ভিত্তিত অনুষ্ঠিত মেগাা স্বাস্থ্য শিবিৰৰ অংশ হিচাপে চিৰাং জিলাৰ চিদলী আৰু  বিজনী বিধানসভা সমষ্টিতো শুশ্ৰুষা সেতু কাৰ্যসূচীৰ আয়োজন কৰা হয়। চৰকাৰৰ এক গুৰুত্বপূৰ্ণ আৰু অভিলাসী আঁচনিৰ অধীনত  আয়োজিত এই কাৰ্যসূচীত ৪০০ গৰাকী ৰোগীক উন্নত চিকিৎসাৰ বাবে বাচনি কৰা হৈছে। এই ৰোগীসকলৰ ভিতৰত চিৰাঙৰ কাজলগাঁৱৰ ১১০ গৰাকী শিশু তথা কিশোৰ ৰোগীক ১১৫ গৰাকী অভিভাৱকসহ ১০ জনীয়া চিকিৎসা বিষয়াৰ দলৰ সৈতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ আজি প্ৰেৰণ কৰা হৈছে।

০০০০০

কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি দক্ষিণ আফ্ৰিকাই-ভাৰতক ৩০ ৰানত পৰাস্ত কৰে। ইডেন গাৰ্ডেনছৰ বিধবস্ত পিটিছৰ বাবে খেলখন তিনিদিনতে সমাপ্ত হয়।

দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰণ কৰা ১২৪ ৰানৰ বিজয় লক্ষ্যৰে খেলি ভাৰতে আজি দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৯৩ ৰানহে সংগ্ৰহ কৰে। ভাৰতৰ অধিনায়ক শুভমন গীলৰ ডিঙিত আঘাতৰ বাবে তেঁও দ্বিতীয় ইনিংছত বেট ধৰিব নোৱাৰিলে। দক্ষিণ আফ্ৰিকাই কালি দ্বিতীয় ইনিংছত ৭ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৯৩ ৰানৰ পৰা আজিৰ খেল আৰম্ভ কৰি আটাইকেইটা উইকেট হেৰুৱাই ১৫৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ টেম্বা বাভুমা  অপৰাজিত হৈ থাকি ৫৫ ৰানৰ বৰঙণি আগবঢ়ায়। দুয়োটা ইনিংছত মুঠ ৮ টা উইকেট দখল কৰা চাইমন হাৰ্মাৰক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়।

০০০০০

প্ৰবীন কুমাৰ গগৈ সোঁৱৰণি ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন আজি ঢেকিয়াজুলি ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত হয়। খেলখনত শোণিতপুৰ দলে ওদালগুৰিক ৪-১ গলত পৰাজিত কৰি বিজয়ৰ খিতাপ দখল কৰে।

০০০০০

সমাপ্ত